## ● সমতা (Equality) ●

### ❑ সমতাৰ অৰ্থ (Meaning of Equality) ঃ

স্বতন্ত্ৰতা আৰু সমতাক গণতন্ত্ৰৰ মূল ভেঁটি আখ্যা দিয়া হৈছে; গতিকে গণতন্ত্ৰত সমতাৰ ধাৰণাই বিশেষ আদৰ লাভ কৰা দেখা যায়। সাধাৰণতে সমতা মানে মানুহৰ সমপৰ্যায়তা বুজায়। কোনো কোনোৰ মতে, মানুহ জন্মতে সমান আৰু সমান সুবিধা পালে প্ৰত্যেকে আনৰ লগত সমানে উৎকৰ্ষ সাধন কৰিব পাৰে। সেইবাবে, সমাজত প্ৰত্যেকে নিজৰ উৎকৰ্ষ সাধনৰ বাবে সমানে সা-সুবিধা লাভ কৰা উচিত। আন কথাত ক'বলৈ হ'লে, প্ৰতিজন ব্যক্তিয়ে নিজৰ সম্পূৰ্ণ বিকাশৰ বাবে আনৰ সমানে জীৱন ধাৰণৰ আহিলা পোৱা উচিত আৰু অন্যান্য ক্ষেত্ৰতো কোনো ধৰণৰ অসুবিধা পোৱা উচিত নহয়।

এনে ধাৰণাৰ সত্যতা নিঃসন্দেহে স্বীকাৰ কৰি লব নোৱাৰি। শাৰীৰিক গঠন আৰু বুদ্ধি-বৃত্তিত সকলো মানুহ সমান নহয়, কৰ্ম শক্তিও মানুহে প্ৰতি ভিন ভিন। সেইবোৰ প্ৰাকৃতিক কথাত সমতা লাভ কৰাটো সম্ভৱপৰ নহয়। আকৌ পৰিয়ালৰ কোনো সদস্যৰ অসুখ-বিসুখ হ'লে তেওঁক জিৰণি লবলৈ দি আনবোৰে অধিক কাম কৰাত সমতাৰ হানি নোহোৱাৰ নিচিনাকৈ ৰাষ্ট্ৰই দুৰ্বল শ্ৰেণীবোৰক আগবাঢ়ি যাবৰ বাবে বেছি সহায় কৰিলেও সমতাৰ অৱমাননা কৰা নহয়।

প্ৰকৃততে সমতাৰ দুটা দিশ আছে ঃ—(১) নকাৰাত্মক আৰু (২) সকাৰাত্মক। নকাৰাত্মকভাৱে সমতাই সকলো ধৰণৰ বিশেষ সা-সুবিধাৰ অভাৱ বুজায়। সমাজৰ কোনো ব্যক্তিয়ে তেওঁৰ বংশ মৰ্যাদা, শাৰীৰিক শক্তি বা আন কিবা কাৰণত আনত কৈ অধিক সা-সুবিধা লাভ কৰিবৰ সুযোগ লাভ কৰিলে সমতাৰ অৱমাননা কৰা হয়। সেইবাবে, সমতা স্থাপন কৰিবলৈ হ'লে তেনে ধৰণৰ বিশেষ সা-সুবিধা দিয়াৰ কোনো ব্যৱস্থা সমাজত থকা উচিত নহয়। সকাৰাত্মক দিশত সমতাই জাতি-বৰ্ণ-ধৰ্ম-মতা-তিৰোতা নিৰ্বিশেষে সকলোৰে বাবে পূৰ্ণ পৰ্যায়ৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধনৰ বাবে

Scanned with CamScanner

আৱশ্যকীয় সুযোগ সুবিধাৰ ব্যৱস্থা বুজায়। সকলো ক্ষেত্ৰতে সম্পূৰ্ণ সমতা স্থাপনৰ আদৰ্শ বাস্তৱত পৰিণত কৰাটো অৱশ্যে বৰ সহজসাধ্য নহয়। গণতন্ত্ৰত সমতা বুলিলে সেই কাৰণে, অন্ততঃ দুটা ক্ষেত্ৰৰ সমতাৰ ধাৰণা সামৰি লয়। প্ৰথমটো অনুসৰি, প্ৰত্যেক ব্যক্তিয়ে আইনৰ চকুত সমান বুলি স্বীকৃতি লাভ কৰা উচিত আৰু দ্বিতীয়টো অনুসৰি ভোটৰ কেন্দ্ৰত সকলো মানুহ সমান বুলি পৰিগণিত হ'ব লাগে। সেইবাবেই, প্ৰকৃত গণতন্ত্ৰই সকলো মানুহক একে আইনৰ অধীন কৰা আৰু প্ৰত্যেকৰ বাবে মাত্ৰ এটি ভোটৰ ক্ষমতা দান কৰাৰ পৃষ্ঠপোষকতা কৰে। আন কথাত ক'বলৈ হ'লে, ৰাষ্ট্ৰই নাগৰিকসকলৰ ভিতৰত কোনো প্ৰভেদ ৰাখিব নালাগে; অৱশ্যে অনগ্ৰসৰ শ্ৰেণীৰ নাগৰিকসকলৰ উন্নতিৰ বাবে কেতবোৰ বিশেষ সুবিধা আগবঢ়োৱা কাৰ্যক সমতাৰ বিৰোধী বুলি গণ্য কৰিব নোৱাৰি।

ৰাজনীতি বিজ্ঞানত সমতাৰ ধাৰণা তুলনামূলকভাৱে নতুন। অতীতৰ সমাজ ব্যৱস্থাত বিদ্যমান পৰ্বত-প্ৰমাণ অসমতাৰ প্ৰতিক্ৰিয়া স্বৰূপে সমাজত সমতাৰ দাবি উত্থাপিত হোৱাত গণতন্ত্ৰই ইয়াক ৰাষ্ট্ৰৰ মূল ভিত্তি হিচাপে মানি লৈছে। ১৭৭৬ চনত আমেৰিকাৰ স্বাধীনতাৰ ঘোষণাপত্ৰত "সকলো মানুহ সমান" বুলি ঘোষণা কৰা হৈছিল; ১৭৮৯ চনৰ ফৰাছী দেশৰ অধিকাৰৰ ঘোষণাতো সেই একে ধৰণে উচ্চস্বৰে ঘোষিত হৈছে—"মানুহ জন্মতে সমান আৰু অধিকাৰৰ বিষয়ত তেওঁলোক সদায় সমান ৰূপে থাকে।"[1] গতিকে, মাত্ৰ অষ্টাদশ শতিকাৰ শেষাৰ্ধৰপৰাহে মানৱ-সমতাৰ ধাৰণাই ব্যৱহাৰিকভাৱে সমাদৰ লাভ কৰা বুলি ক'ব পাৰি। তেতিয়াৰপৰা ই গণতন্ত্ৰৰ এটা প্ৰধান উপাদান হিচাপে পৰিচিত হ'ব পাৰিছে।

## ❑ সমতাৰ শ্ৰেণীবিভাজন (Classification of Equality) ঃ

*তলত দিয়া ধৰণে সমতাৰ শ্ৰেণী বিভাজন কৰিব পাৰি ঃ*

**১। প্ৰাকৃতিক সমতা** (Natural Equality) ঃ প্ৰাকৃতিক সমতাৰ ধাৰণা অনুসৰি সকলো মানুহ জন্মতে সমান আৰু প্ৰত্যেকেই সম পৰিমাণৰ প্ৰাকৃতিক সম্পদ অৰ্থাৎ শাৰীৰিক আৰু মানসিক শক্তি লৈ জন্ম গ্ৰহণ কৰে। সেইবাবে, সকলো ক্ষেত্ৰতে সমতা ৰক্ষা কৰাটো ৰাষ্ট্ৰৰ কৰ্তব্য। আচলতে প্ৰাকৃতিক স্বতন্ত্ৰতাৰ এই আদৰ্শক বাস্তৱ সত্য বুলি ধৰি লব নোৱাৰি যদিও যিমান দূৰ সম্ভৱ সিমান পৰিমাণে প্ৰাকৃতিক স্বতন্ত্ৰতা ৰক্ষাৰ প্ৰচেষ্টা চলোৱাটো সমাজ আৰু ৰাষ্ট্ৰৰ কৰ্তব্য।

**২। সামাজিক সমতা** (Social Equality) ঃ সামাজিক সমতাই শ্ৰেণীবিহীন সমাজৰ ইংগিত দিয়ে। জন্মগত কাৰণত কোনো ৰকমৰ বিশেষ সুবিধা ভোগ কৰা নাইবা কোনো সুবিধাৰপৰা বঞ্চিত হোৱাৰ দুয়ো বিধেই সামাজিক সমতাৰ বিৰোধী। আইনৰ জৰিয়তে সামাজিক সমতা প্ৰতিষ্ঠা কৰাটো বৰ উজু নহয়। ভাৰতৰ সংবিধানে জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলোৰে বাবে সমতাৰ অধিকাৰ ঘোষণা কৰি সামাজিক সমতাৰ আৱশ্যকতাৰ স্বীকৃতি দান কৰিছে।

**৩। বিধিগত সমতা** (Legal Equality) ঃ বিধিগত সমতাই সকলো নাগৰিককে একে আইনৰ তলতীয়া হোৱা বুজায়। সেই অনুসৰি সকলো মানুহ আইনৰ চকুত সমান। সেইবাবে, সাধাৰণ নাগৰিক আৰু কৰ্মচাৰীসকলৰ বাবে একে ধৰণৰ আইন আৰু আদালত থকা উচিত। কোনো কোনো দেশত জনসাধাৰণ আৰু চৰকাৰী বিষয়াৰ বাবে বেলেগ বেলেগ ধৰণৰ বিচাৰ ব্যৱস্থাৰ প্ৰচলন আছে। তেনে ব্যৱস্থা বিধিগত সমতাৰ বিৰোধী বুলি গণ্য কৰিব পাৰি।

**৪। ৰাজনৈতিক সমতা** (Political Equality) ঃ ৰাজনৈতিক সমতাই ৰাজনৈতিক অধিকাৰ ভোগৰ সমতা বুজায়। সাৰ্বজনিক ভোটাধিকাৰ, জনসাধাৰণৰ প্ৰতিনিধিত্ব কৰাৰ অধিকাৰ, চৰকাৰী চাকৰি পোৱাৰ অধিকাৰ আদি ৰাজনৈতিক সমতাৰ ব্যৱহাৰিক দিশ। পৃথিৱীৰ গণতান্ত্ৰিক ৰাষ্ট্ৰসমূহে সকলো নাগৰিকৰ বাবে সমতাৰ ভিত্তিত এই অধিকাৰবোৰ মানি লৈ ৰাজনৈতিক সমতাৰ ধাৰণাৰ বাস্তৱ ৰূপায়ণ কৰিব বিচাৰিছে।

Scanned with CamScanner

৫। **অৰ্থনৈতিক সমতা** (Economic Equality) ঃ লৰ্ড ব্ৰাইছ (Lord Bryce)-ৰ মতে, সমাজৰ সকলো মতা-তিৰোতাৰ বাবে সম পৰিমাণৰ সম্পদ লাভ কৰাটো সম্ভৱপৰ কৰি তুলি সমাজৰপৰা অসমতা দূৰীকৰণৰ ব্যৱস্থা কৰাটোৱেই অৰ্থনৈতিক সমতাৰ মূল কথা। সংক্ষেপে ধন-সম্পত্তি আৰু আয়ৰ সমতাকে আৰ্থিক সমতা বোলে। জীৱন ধাৰণৰ বাবে আৱশ্যকীয় সামগ্ৰীৰ সমবিতৰণ, সমান কামৰ বাবে সমান পাৰিশ্ৰমিকৰ ব্যৱস্থা আদি আৰ্থিক সমতাৰ মূল বস্তু। অধ্যাপক লাস্কিৰ মতে, মুষ্টিমেয় সংখ্যক লোকে বিলাসপূৰ্ণ জীৱন যাপনৰ সুবিধা লাভ কৰাৰ আগতে সমাজৰ সকলোৱে ন্যূনতম আহিলাখিনি নাপালে আৰ্থিক সমতা স্থাপন হ'ব নোৱাৰে। তদুপৰি, আৰ্থিক সমতাৰ অভাৱ হ'লে, সামাজিক, ৰাজনৈতিক, বৈধ সমতা আদিৰো কোনো ব্যৱহাৰিক মূল্য নাথাকে। সেইবাবে, পৃথিৱীৰ সকলো গণতান্ত্ৰিক ৰাষ্ট্ৰতে অৰ্থনৈতিক সমতা স্থাপনৰ বাবে জনসাধাৰণক যথেষ্ট সচেতন হোৱা দেখা যায়।

Scanned with CamScanner